জাতিৰ আৱেগ সমাজৰ বিৱেক

# দৈনিক জনমভূমি

portal : www.dainikjanambhumi.com e-paper : www.dainikjanambhumi.co.in Dainik Janambhumi

শতিতম বছৰ, সংখ্যা ৩৪৬ ● মঙলবাৰ ● ৯ ভাদ ১৯৪৭ শক RNI No. ASSASS/2006/16737 DAINIK JANAMBHUMI Tinsukia Tuesday August 26, 2025 ● ১৪ পৃষ্ঠা ● তিনিচুকীয়া, যোৰহাট, গুৱাহাটী আৰু বঙাইগাঁৱ

## ৰে'ল দলঙত বিদ্যুৎ ... বুকুত যুৱক সন্ধানহীন

... আগষ্ট ঃ ডিব্ৰুগড় জিলা খোৱাঙত আজি ... দ্যুৎ প্ৰৱাহিত হৈ নদীৰ বুকুত এজন যুৱক ... জন খোৱাং চেনিমাৰী গাঁৱৰ ভক্তি চেতিয়া ... সন্ধিয়া লগৰীয়াৰ সৈতে ৰে'লৰ দলঙত ... লঙৰ ওপৰত থকা বিদ্যুৎ পৰিবাহী তাঁৰত ... া লগে এটা বৃহৎ শব্দ কৰি নদীৰ বুকুত ... গৰীয়াই জানিবলৈ দিয়া অনুসৰি, ৰে'লৰ ... কজন। তাতেই বিদ্যুৎ প্ৰৱাহিত হৈ পৰে ... আৰু খোৱাং আৰক্ষী ঘটনাস্থলীত উপস্থিত ... পুৱাৰে পৰা যুৱকজনৰ সন্ধানত এছ ডি

## ... ত শিশু ভাওনা ... ৰ আয়োজন

... গাঁও যুৱক বৃন্দৰ উদ্যোগত আৰু গাঁও

## কানৈ মহাবিদ্যালয়ত ‘শংকৰদেৱৰ চিন্তাধাৰা আৰু সাম্প্ৰতিক অসমৰ যুৱ সমাজ’ শীৰ্ষক বক্তৃতানুষ্ঠান

**ডিব্ৰুগড় ঃ** ষ্টাফ ৰিপ'ৰ্টাৰ, ২৫ আগষ্ট ঃ ‘শিল্প চেতনাই মানুহক উন্নতিৰ শিখৰত আগুৱাই যোৱাত সহায় কৰে।’ ঐতিহ্যমণ্ডিত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত), ৰুক্মিণী দেৱী কানৈ ছাত্ৰী নিৱাস আৰু ডিম্বেশ্বৰ চলিহা ছাত্ৰাৱাসৰ যৌথ উদ্যোগত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ তিৰোভাৱ তিথিৰ লগত সংগতি ৰাখি অনুষ্ঠিত বক্তৃতানুষ্ঠানত মুখ্য বক্তা হিচাপে উপস্থিত থাকি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাক্তন প্ৰাধ্যাপক ড° গোপাল হাজৰিকাই আজি এইদৰে কয়। ‘শংকৰদেৱৰ চিন্তাধাৰা আৰু সাম্প্ৰতিক অসমৰ যুৱ সমাজ’ শীৰ্ষক বিষয়ত বক্তৃতা প্ৰদান কৰি ড° হাজৰিকাই কয় যে শিল্পী হ'বলৈ হ'লে, শিল্পক জীয়াই ৰাখিবলৈ হ'লে সাধাৰণ মানুহৰ হৃদয় চুই যাব লাগিব আৰু মানুহৰ হৃদয় স্পৰ্শ কৰিব পাৰিব লাগিব। তেওঁ কয় যে মহাপুৰুষসকলে সোঁতৰ বিপৰীতে গতি কৰিব পাৰে। সেই সোঁতৰ বিপৰীতে গতি কৰিব পৰা গুণ থকাৰ বাবেই সেইসকলে সাধাৰণ মানুহৰ পৰা মহাপুৰুষৰ শাৰীলৈ গতি কৰে। অনুষ্ঠানত ড° হাজৰিকাই মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জীৱনৰ বিভিন্ন দিশ আলোকপাত কৰি কয় যে শংকৰদেৱ নিজেই এখন বিশ্ববিদ্যালয়। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে অসমৰ শদিয়াৰ পৰা ধুবুৰীলৈ বহু গায়কৰ সৃষ্টি কৰিলে। তেওঁ লগতে ছাত্ৰ-ছাত্ৰীসকলক মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ কৰ্মৰাজিক ভৱিষ্যতে জীয়াই ৰাখিবলৈ হ'লে যুৱপ্ৰজন্মৰ কি কি কৰণীয় আছে, সেই বিষয়েও ব্যাখ্যা কৰে। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই ছাত্ৰাৱাস আৰু ছাত্ৰীনিৱাসৰ আৱাসীসকলে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ তিৰোভাৱ তিথিৰ লগত সংগতি ৰাখি এনেধৰণৰ এটা সুন্দৰ অনুষ্ঠান আয়োজন কৰাৰ বাবে সকলোকে ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে। বন্তি প্ৰজ্বলন আৰু ছাত্ৰী সংস্কৃতা শইকীয়াৰ বৰগীতেৰে শুভাৰম্ভ হোৱা অনুষ্ঠানত কানৈ মহাবিদ্যালয়ৰ শৈক্ষিক পৰিষদৰ সদস্য সচিব তথা ডিম্বেশ্বৰ চলিহা ছাত্ৰাৱাসৰ মুখ্য অধীক্ষক ড° জ্যোতিপ্ৰসাদ ফুকন, ৰাজনীতি বিজ্ঞান বিভাগৰ অধ্যাপক তথা ডিম্বেশ্বৰ চলিহা ছাত্ৰাৱাসৰ অধীক্ষক ড° বিৰাজ দত্তই বক্তব্য আগবঢ়ায়। ছাত্ৰী নিহাৰিকা শইকীয়াই মুখ্য বক্তা ড° গোপাল হাজৰিকাৰ চমু পৰিচয় আগবঢ়োৱা অনুষ্ঠানটোত ছাত্ৰী বিদিশা হাজৰিকাৰ সত্ৰীয়া নৃত্যই সকলোকে আপ্লুত কৰে। অনুষ্ঠানত ৰুক্মিণী দেৱী কানৈ ছাত্ৰীনিৱাস আৰু ডিম্বেশ্বৰ চলিহা ছাত্ৰাৱাসৰ ভালেসংখ্যক আৱাসী উপস্থিত থাকে।

## শ্ৰীমন্ত শংকৰদেৱৰ ...

বিশেষ আকৰ্ষণ আছি... ল'গ'টো বিধায়ক তৰং... আছলম খানে ডিজাই... জাপি, ধান আৰু চাহপ...

## নৱাগত অ... প্ৰবন্ধ প্ৰ...

**খোৱাং ঃ** নিজা প্ৰতিবেদ... ২০২৫ বৰ্ষৰ নৱাগত আ... ‘হৰপ্পা সভ্যতা ঃ এক অৱ... প্ৰতিযোগিতাৰ প্ৰথম, দ্বি... ভায়'লিনা হাজৰিকা আ... মহাবিদ্যালয়ৰ অধ্যক্ষ ড... বিভাগৰ জ্যেষ্ঠ অধ্যাপক ... আঁত ধৰা অনুষ্ঠানটোত স... চুতীয়াই। সভাত উপস্থিত... উইনষ্টন চাৰ্চিলৰ সুৰত সু... সফলতা লাভ কৰিবলৈ ... উপধ্যক্ষা দীপালী শইকী... কৰাৰ বাবে সকলোকে আ...